# মধুৰ-মাধৱ

REFERENCE COPY
(NOT FOR ISSUE)

মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ বাল্যকালৰ আধাৰত

যুগুত কৰা শিশু নাটক



মঞ্জু লস্কৰ

নগাঁও

# মধুৰ-মাধৱ

শ্ৰীশ্ৰীমাধৱদেৱৰ বাল্যজীৱনৰ আধাৰত ৰচিত

শিশু নাটক।

Goswami Library
Nowgong Girls College
Acc 30306/04



মঞ্জু লস্কৰ

নগাঁও

**MADHUR-MADHABA :** A children drama on Sri Sri Madhaba Deva written by Manju Laskar and Published by Niranjan Borah on behalf of Niranjan Prakashan.

First Edition : November, 2003

Price : Rs. 25.00

891.045042/LAS

Published by : Niranjan Prakashan
Christianpatty
Nagaon - 782 001

© : Author

Printed at : **Suryya Printing Works**
G. N. B. Road, Faudaripatty
Nagaon (Assam)
Phone : 230970

Mahesh Chandra Dev Goswami Library
Nowgong Girls' College
Acc No. 30306/04
Date.........

# উছৰ্গা

মানসৰঞ্জন বৰা (বু)

ৰাহুলৰঞ্জন বৰা (জিউ)

হৃদয়ৰঞ্জন বৰা (ৰিপু)

দেবাঙ্গৰঞ্জন বৰা (পুৰু)

*স্নেহ আৰু আৰ্শীবাদেৰে*

*মা, বৰমা, ডাঙৰ মা।*

সকলো শুভাকাঙ্ক্ষীলৈ
আন্তৰিক শলাগ
যাচিলো।

"মাধৱ মাধৱ নামঃ বচনত উচ্চৰয়ঃ মাধৱ মাধৱ হৃদয়ত।
নিৰন্তৰে সাধুসৱেঃ মাধৱ মাধৱ নামঃ উচ্চৰয় সমস্তে কার্যত॥
পৰমমঙ্গলৰূপঃ মাধৱ মাধৱ নামঃ জিতো মহাজনে উচ্চৰয়।
তাৰ অমঙ্গলৰূপঃ গুচয় সংসাৰভয়ঃ মাধৱৰ নিকট পাৱয়॥
দুস্বপ্ননাশনইতোঃ মাধৱ মাধৱ নামঃ দুষ্টগ্ৰহভয়বিনাশন।
পৰম সম্পদৰূপঃ জানি মাধৱৰ নামঃ সৰ্ব্বদাএ কৰিয়ো কীৰ্ত্তন॥
মাধএসে আত্মা নিজঃ মাধএসে ইষ্ট গুৰুঃ মাধএসে দেৱতা পৰম।
পৰম ঈশ্বৰ স্বামীঃ জানি মাধৱক ভজাঃ মনুষ্যৰ এহি নিজ ধৰ্ম্ম॥
পৰম চতুৰ সিসিঃ বুদ্ধিত কুশল আতিঃ জিতো মাধৱৰ গুণ গাএ।
মিচা কলেবৰগোটেঃ মুকুতিবানিজ কৰিঃ ভৱ তৰি মাধৱক পাএ॥
জিজনে একান্তচিত্তেঃ মাধৱক ভজে নিতেঃ ফুৰে মাধৱৰ গুণ গাই।
দুল্লভ অমৃত জেনঃ জিজনে কৰিলে পানঃ মধুৰ পিবাক আৰ নাই॥"
(পৃঃ ১২২)

গুৰুচৰিত কথা
সম্পাদকঃ মহেশ্বৰ নেওগ।

# আগকথা

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বাল্যজীৱনক লৈ 'কৰতল কমল' নামেৰে নাট্যৰূপত সজাই তোলাৰ প্ৰথম প্ৰচেষ্টাক উৎসাহ দিয়া মোৰ শ্ৰদ্ধাৰ ছাৰ ড০ কেশৱানন্দ দেৱগোস্বামীৰ অনুপ্ৰেৰণাতে দ্বিতীয়বাৰ শ্ৰীশ্ৰীমাধৱদেৱৰ বাল্যজীৱনক লৈ 'মধুৰ-মাধৱ' নামেৰে নাট্যৰূপ দিয়াৰ দুঃসাহস কৰিলো।

নাটকখন যুগুতাই প্ৰথমে ড০ কেশৱানন্দ দেৱগোস্বামী ছাৰকে চাই দিবলৈ অনুৰোধ কৰিছিলো। শাৰীৰিক অসুস্থতা আৰু কৰ্মব্যস্ততাৰ বাবে লগতে সময়ৰ নাটনিত 'কৰতল-কমল' ৰ সুৱাগুৰি-পাত ভাগ লিখি দিয়াৰ দৰে তেখেতে 'মধুৰ-মাধৱ'ৰ জপনামুখত সুৱাগুৰি নুতুলিলে। মাথো চকু-ফুৰাই আশীষ বচন বুলিলে। তথাপি তেখেতে যদিহে "শ্ৰীশ্ৰীমাধৱদেৱৰ বাল্যজীৱনক লৈও নাটক এখন লিখা, পাৰিবা" বুলি উৎসাহ নিদিলেহয়, মই এই প্ৰচেষ্টা নিশ্চয় নকৰিলোহেঁতেন, এইটো ধুৰুপ। মোৰ যোগ্যতাক লৈ মই নিজেই শংকিত। ভুল-ক্ৰুটী হোৱাতো তেনেই স্বাভাৱিক। সুধী সমাজে ভুল-ক্ৰুটীবোৰ দেখুৱাই দি কৃতাৰ্থ কৰিব বুলি আশা ৰাখিলো।

এই সুযোগতে নগাঁও কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত প্ৰদীপ শইকীয়া ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। তেখেতে সুৱাগুৰি-পাত ভাগ লিখি দি 'মধুৰ-মাধৱ'ৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে। লগতে নগাঁও ছোৱালী কলেজৰ অৱসৰ প্ৰাপ্ত অধ্যাপক শ্ৰীযুত তিলকচন্দ্ৰ মজুমদাৰ ছাৰলৈও থাকিল অশেষ ধন্যবাদ, কিয়নো তেখেতৰ বহুমূলীয়া উপদেশ আৰু দিহাই নাটকখন ৰচনা কৰা ক্ষেত্ৰত মোক যথেষ্ঠ অনুপ্ৰেৰণা যোগাইছিল।

মোৰ স্বামী নিৰঞ্জন বৰাৰ সহায়-সহযোগিতাৰ কথা নকলোৱেইবা।

শ্ৰীশ্ৰীমাধৱদেৱৰ বাল্যজীৱনক লৈ নাটক ৰচনা কৰাৰ যি দুঃসাহস কৰিছোঁ, তাৰ আধাৰ গ্ৰন্থ কেইখন হ'ল - উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ সম্পাদিত "কথা-গুৰুচৰিত" (১৯৫৫) আৰু ড০ মহেশ্বৰ নেওগ সম্পাদিত "গুৰু চৰিত কথা" (১৯৮৭)।

মোৰ এই ক্ষুদ্ৰ প্ৰচেষ্টাই কাৰোবাৰ হৃদয়ত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ বাল্যজীৱনৰ এটি সামান্য ৰেখাচিত্ৰ অঙ্কণ কৰিবলৈ যদি সক্ষম হয় তেতিয়াই মই ধন্য হ'ম।

ধন্যবাদেৰে -

মঞ্জু লস্কৰ
১৭/১১/০৩

# সুৱাগুৰি-পাত

ইতিমধ্যে কবি হিচাপে খ্যাতি লাভ কৰা শ্ৰীমতী মঞ্জু লস্কৰৰ "মধুৰ-মাধৱ" নামৰ সৰু নাটিকখন আচলতে আমাৰ গুৰু মহাপুৰুষ মাধৱদেৱৰ জীৱনভিত্তিক এখনি আলেখ্য। সাতটা দৃশ্যত শ্ৰীশ্ৰীমাধৱদেৱৰ পিতৃ গোবিন্দগিৰী আৰু মাতৃ মনোৰমা বা মনোহৰিৰ দুখৰ দিনৰ কাহিনী এটা আৰু অনেক দুৰ্য্যোগ আৰু আৰ্থিক অনাটনৰ মাজেদি ধৰাধামত অৱতীৰ্ণ হোৱা ঈশ্বৰপুৰুষ মাধৱদেৱৰ বাল্যকালৰ এছোৱা এই আলেখ্যত চিত্ৰিত হৈছে সৰু এক মনোৰম নাটকৰ ৰূপত। মিৰাকল্ প্লে' বোৰৰ দৰে দৃশ্যমান ৰূপত নহ'লেও ভাৱৰীয়াসকলৰ সংলাপৰ জৰিয়তে অলৌকিকতাৰ নানা বৰ্ণনা থকা এই নাটক মঞ্চত অভিনীত হ'লে নিঃসন্দেহে ধৰ্মপ্ৰাণ বৈষ্ণৱ ভক্তবৃন্দৰ মনত অনাবিল ভক্তিৰস জাগৃত হ'ব।

এই নাটিকাৰ মূল প্ৰেৰণা ভক্তিপৰায়ণতা। ধৰ্মবোধ আৰু ভক্তি সদায় অটল বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। যুক্তিৰে অভেদ্য সেই বিশ্বাস নহ'লে আধুনিক মন অলৌকিকতাৰ দ্বাৰা আলোড়িত নহয়।

কিন্তু এক সৰল আন্তৰিকতাৰে অনাড়ম্বৰ ভাষাত এই দৃশ্য কেইটা ৰচনা কৰি এটা পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হৈছে বাবে সকলো ধৰণৰ দৰ্শকৰ মনতে বস্তুবিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰিব কিছু সময়ৰ বাবে। শ্ৰীমতী লস্কৰৰ ভাষাত আঁৰ নাই - নিৰৱে বৈ থকা সৰু এখন নদীৰ শান্ত স্ৰোতধাৰাৰ দৰে তাত এক স্নিগ্ধতা আছে। 'মধুৰ-মাধৱ' নামটোৱেই ভক্তিৰসাশ্ৰয়ী। তাৰ ধ্বনিয়ে অনুপম ধ্ৰুপদী ভক্তিকাব্য জয়দেৱকৃত শ্ৰীশ্ৰীগীতগোবিন্দমলৈ মনত পেলায়। তাতো আছে সামোদ দামোদৰ, মুগ্ধ মাধৱ, সানন্দ গোবিন্দ। আশা কৰো শ্ৰীমতী লস্কৰৰ মধুৰ-মাধৱো সমাদৃত হ'ব।

১৫ নভেম্বৰ, ২০০৩
ৰত্নকুটি, নগাঁও - ১

প্ৰদীপ শইকীয়া

## প্ৰথম দৃশ্য

(দোলা এখনত মনোহৰিক (মনোৰমা) লৈ দোলাভাৰী চাৰিজনৰ প্ৰৱেশ, লগত গোৱিন্দগিৰী। মঞ্চৰ সোঁমাজত দোলাখন নমাই থ'ব।)

**গোৱিন্দগিৰীঃ-** ককাইহঁত ইয়াতে দোলাখন নমা। বহুদূৰ বাট অহা হ'ল, তহঁতৰো ভাগৰ লাগিছে। অলপ সময় ইয়াতে বহি জিৰণি লহঁত; নে কি কৱ? বাকী চাৰিটা দোলাভাৰী আহি পাওঁতে অলপ পৰম হ'ব। যিমানহে ভাৰ ভেটি কঢ়িয়াই আনিছে। সিহঁত কেইটাও আহি পাওকহি।

**১ম দোলাভাৰীঃ-** হয়, দেউতা ঈশ্বৰ; দোলা কঢ়িয়াই কঢ়িয়াই ভাগৰ লাগিছে। কান্ধ দুখন তেনেই ফৰ্ফৰাই গৈছে। আপুনি অনুমতি দিলে ইয়াতে অকণমান গাটো টঙাই লওঁ। সিহঁত চাৰিটাও আহি পাওকহি।)

**২য় দোলাভাৰীঃ-** হয়, হয়; সিহঁত আহি পোৱালৈকে আমিবোৰে অকণমান গাটো পোনাই লওঁ। মানুহৰ দেহহে তেওঁ, ভোকে ভাগৰে গাটো তেনেই ৰাই-জাই কৰিছে, দেউতা।

**৩য় দোলাভাৰীঃ-** হয় দেউতা, আপুনি ভাল কথাই কৈছে। দেউতাৰ বৰ অনুগ্ৰহ, অলপ ইয়াতে শতাই লওঁ।

**৪ৰ্থ দোলাভাৰীঃ-** পেটত ভোক, ভৰিত ভাগৰ, দেহাই নেটানে আৰু।

**গোবিন্দগিৰীঃ-** বাৰু ককাইহঁত, তহঁতে তেনেহ'লে ইয়াতে

কিবা এটা খাই-বৈ জিৰাই ল হঁত। দোলাখন ইয়াতে থাকক, আমি দুয়ো সৌ ডাঙৰ গছজোপাৰ তলতে অলপ জিৰাই লওঁগে।

**১ম দোলাভাৰীঃ-** হয়, দেউতা; যাওক, আইকো লৈ যাওক। আমি ইয়াতে অলপ জিৰাম।

**২য় দোলাভাৰীঃ-** অকণো চিন্তা নকৰিব দেউতা; আপোনাৰ দোলা ইয়াত নিশ্চিন্তে থৈ যাওক। সেইবোৰ য'ৰে বস্তু ত'তে থাকিব।

**৩য় দোলাভাৰীঃ-** দেউতা, আইমাতৃৰ ভাগৰ লাগিছে চাগৈ, আমি পৰ দিম, আপোনালোক দুয়োজনে অলপ জিৰাওকগৈ।

**৪ৰ্থ দোলাভাৰীঃ-** দেউতা, ভাগৰ গুছিলেই মাত দিব, আমি লগে লগেই যাত্ৰা আৰম্ভ কৰিম। তেতিয়া মানে বাকী চাৰিওটা দোলাভাৰী বস্তু-বাহানিৰে সৈতে পাবহি যেন পাও।

**গোৰিন্দগিৰীঃ-** কথাটো হওঁতে হয়। হেৰা, মনোহৰি, ওলাই আহা। ভাগৰত তেনেই লালকাল দিছা, অলপমান মুকলিলৈ আহি হাত-ভৰি পোনাই লোৱাহি।

(মনোহৰি দোলাৰ পৰা ওলাই আহিব।)

**মনোহৰিঃ-** ব'লক, মোৰ পানী পিয়াহত অণ্ঠ-কণ্ঠ শুকাই গৈছে; ভোকো লাগিছে। পাতলিয়াকৈ কিবা এটা খাই লওঁগে।

**গোৰিন্দগিৰীঃ-** ব'লা সৌ যে গছজোপা দেখিছা, তাৰ তললৈকে ব'লা। তাতে কিবা এটা খাই-বৈ অলপ জিৰাই-শতাই লওঁগে। ককাইহঁত, তহঁতে ইয়াতে জিৰাই লহঁত।



আমি দুয়ো সৌ তালৈকে যাওঁ।

**দোলাভাৰীহঁতঃ-** (একেলগে) হ'ব, দেউতা ঈশ্বৰ, হ'ব।

(মনোহৰি আৰু গোৰিন্দগিৰীৰ প্ৰস্থান। দোলাৰ কাষত থকা পানীৰ কলহটোত ২য় দোলাভাৰীয়ে কিবা এটা সাউৎকৈ পেলাই থব। (গোৰিন্দগিৰীৰ পুনৰ প্ৰৱেশ।)

**গোৰিন্দগিৰীঃ-** এঃ দেখিছানে পানীৰ কলহটো নিবলৈকে পাহৰিলো লগতে জলপানৰ টোপোলাটোও। ককাইহঁত, তহঁতেও কিবা এটা খাই লহঁত।

**দোলাভাৰীহতঁঃ-** হ'ব, দেউতা, এই যা-যোগাৰ কৰো আৰু। (গোৰিন্দগিৰীৰ প্ৰস্থান)

**১ম দোলাভাৰীঃ-** অই, বৈ আছ কিয়, যা-যোগাৰ কৰহঁত।

**২য় দোলাভাৰীঃ-** অলপ সময় মনে মনে থাকচোন।

**৩য় দোলাভাৰীঃ-** তই পানীৰ কলহত কি দিলি অ'?

**২য় দোলাভাৰীঃ-** ঐ মনে মনে থাক বুলিছো, মনে মনে থাক। অলপ ৰ'; নিজেই দেখিবিহঁত।

**৪ৰ্থ দোলাভাৰীঃ-** মানে, কি কৰিলিনো তই?

**২য় দোলাভাৰীঃ-** চাই থাক, ক'ৰ পানী কলৈ যায়।

**১ম দোলাভাৰীঃ-** অই, সেয়া দেখোন আমাৰ গোৰিন্দগিৰী আৰু মনোহৰি আই - পানীটোপা পি, টোপনিত নিঃপালি দিলে। বোলো কথাটো কি?

**২য় দোলাভাৰীঃ-** মই নকৈছিলো, তহঁতক; এতিয়া দেখিলি? হেৰ' পানীত ঔষধ দি থৈছিলো আক'। টোপনি

গ'ল। এতিয়া ব'ল, খৰ-ধৰ ক'ৰহতঁ।

**১ম দোলাভাৰীঃ-** মানে, মানুহ দুটা টোপনি গ'ল; এতিয়া কি ডাল খৰপোচ কৰিমহঁত।

**২য় দোলাভাৰীঃ-** তেতিয়াহ'লে তই বৈ থাক আক'।

**১ম দোলাভাৰীঃ-** হেৰ' মই একো ত'তকে ধৰিব পৰা নাই অ'। কি কৈছনো তই?

**৩য় দোলাভাৰীঃ-** ই কোৰাটোকে কৈছে, দেখা নাই গোবিন্দগিৰীৰ ঘৈণীয়েকৰ কাণে-ডিঙিয়ে, হাতে-ভৰিয়ে কিমান গাল গহনা-গাঁঠৰি। দোলাখনতো ৰূপে-সিকিয়ে, কাপোৰে-কানিয়ে আহিছে এভাৰ।

**২য় দোলাভাৰীঃ-** সিহঁত চাৰিটা আহিব বুলি পৰ দিব নালাগে। সিহঁতক বয়বস্তুসোপাৰে তাতে বৈ থাকিবলৈ টিপতে কৈ থৈ আহিছো। কিমান আৰু দোলা কঢ়িয়াই মৰো। তহঁতে এতিয়া বৈয়ে থাকিবি নে?

**৩য় দোলাভাৰীঃ-** মই তোৰ লগত আছো। গোবিন্দগিৰী আৰু মনোহৰি আই শুই থাকোতেই সকলোবোৰ বয়বস্তু লৈ উধাও হওঁ ব'ল।

**৪ৰ্থ দোলাভাৰীঃ-** তেনেহ'লে, খৰ কৰ। বল, দোলাখন ল।

**১ম দোলাভাৰীঃ-** তহঁত গোটেই কেইটাৰে যদি একে মত, তেনেহ'লে মইনো ধৰ্ম্ম যুধিষ্ঠিৰ হৈ কিয় মৰো। আহিছো একেলগে, যামো একেলগে।

**৩য় দোলাভাৰীঃ-** তই, দোলাখন ধৰ; ময়ো ধৰো।



**২য় দোলাভাৰীঃ-** মই গহনা-গাঁঠৰি খিনি খুলি লৈ আহোঁগে।

**৪ৰ্থ দোলাভাৰীঃ-** মোৰ আকৌ গোবিন্দগিৰীয়ে পিন্ধি অহা ভূনি আৰু পচৰিয়াখন বৰ পচন্দৰ অ'। পাপ যেতিয়া কৰিছোয়েই - সেই কেইখন এৰি যাওঁ কিয়? ব'ল সেই কেইখনো খুলি লৈ আহোঁ।

**২য় দোলাভাৰীঃ-** ব'ল তেনেহ'লে, মনোহৰিৰ কাপোৰ সাজ মোৰ মানুহজনীলৈকে হ'ব। সকলোবোৰ লৈ উধাও হওঁহঁত।

(দোলাভাৰী কেইটাই মনোহৰি আৰু গোবিন্দগিৰী থকাৰ ফালে যাব আৰু কাপোৰ-কানি গহনা-গাঁঠৰিবোৰ লৈ আহিব।)

'**১ম দোলাভাৰীঃ-** হেৰ', কথাটো কিন্তু বাৰু নকৰিলিহঁত মাইকী মানুহ গৰাকীৰ পিন্ধা কাপোৰখিনি খুলি আনিব নালাগিছিল হঁত অ'। ছিঃ ছিঃ আমি পাপত বুৰিলো। লোভেই পাপ, পাপেই মৃত্যু। হে, ঈশ্বৰ, ৰৌ-ৰৌ নৰকতো ঠাই নহ'ব কিজানি। (মূৰে কপালে হাত দি বহিব।) বাকী দোলাভাৰীবোৰ মঞ্চ এৰি যাবলৈ খুজি পুনৰ উলটি আহিব।

**২য় দোলাভাৰীঃ-** তই নাজাৱ নেকি? এনেকৈ যে বহি ললি। সিহঁত সাৰ পোৱাৰ আগতে ইয়াৰ পৰা যাব লাগে। ব'ল ব'ল, সোনকালে ব'ল।

**১ম দোলাভাৰীঃ-** ছিঃ ছিঃ নিজৰ ওপৰতে লাগিছে ঘিণ। আইমাতৃৰ গাৰ বস্ত্ৰ ডুখৰি এনেকৈ খুলি আনিব নালাগিছিল অ'। দুয়োটা মানুহক এনেকৈ বিবস্ত্ৰ কৰি থৈ ......

ছিঃ ছিঃ, অন্যায়, ঘোৰ অন্যায়; ঘোৰ কলিকাল।

**৩য় দোলাভাৰীঃ-** হেৰ, বিহৰ অকণমানেই বিহ, পাপৰ কি কম বেচ আছে। ধন-বান, গহণা-গাঁঠৰি সোপাই আনিলোঁৱেই, লগতে কাপোৰ কেইখনো আনিলোঁৱেই যেনিবা তাতে কি হ'ল।

**৪ৰ্থ দোলাভাৰীঃ-** হেৰ, তহঁতে কথাটো টং কৰিব পৰা নাই। পিন্ধি থকা কাপোৰ কেইখন আনিছো, এইবাবেই যাতে গোবিন্দগিৰীয়ে বিবস্ত্ৰা পত্নীক লগত লৈ বিবস্ত্ৰ অবস্থাৰে আমাৰ পিছ ল'ব নোৱাৰে, সেইবাবেহে; তই কথাটো ততেই ধৰিব পৰা নাই নে?

**১ম দোলাভাৰীঃ-** নিজকে মহাপাতকী যেন লাগিছে অ'। হে ঈশ্বৰ এনে কাম কৰিবলৈ আমাক কিয় আগবঢ়াই দিলা। (মূৰে-কপালে হাত দি বহিব, আনবোৰ মঞ্চ এৰি যাব, ২য় দোলাভাৰী পুনৰ উলটি আহিব।)

**২য় দোলাভাৰীঃ-** তই যাবি নে নাযাঅ; ন'গলেও নিগমে মৰিবি কিন্তু। গোবিন্দগিৰীয়ে তোৰ লগতে আমাক বিচাৰি পালে, তোক কিন্তু সুদাই নেৰিম দেই, কৈ থলো কিন্তু।

**১ম দোলাভাৰীঃ-** বল, বল। নগৈ কৰিম কি? কামটো পিছে আমি ভাল নকৰিলো দেই, ভাৰস্তত কলঙ্ক ৰাখিলো। সহায় কৰিবলৈ আহি আদবাটতে দুটাকৈ মানুহক লুটি-পুতি নিঠৰুৱা কৰি আমি মানুহৰ নামত কলঙ্ক সানিলো। (প্ৰস্থান)

(পট পৰে।)

০০০



## দ্বিতীয় দৃশ্য

(নদীৰ পাৰ। হৰসিংহ (হৰিশিঙা) উজিৰে লগত কেইজনমান নাৱৰীয়া লৈ প্ৰৱেশ কৰিব।)

**হৰসিংহঃ-** ঘাঘৰি মাজি, অলপ ইয়াতে জিৰাও। তোমালোকেও বঠা মাৰি মাৰি ভাগৰি পৰিছা। নাৱৰীয়াহঁতক ইয়াতে জিৰাবলৈ দিয়া।

**ঘাঘৰি মাজিঃ-** হ'ব, দেউতা। আপোনাৰ আজ্ঞা পালে সেইখিনিতে গাটো জুবুৰিয়াই আহোঁগৈ।

**হৰসিংহঃ-** নিশ্চয়, নিশ্চয়, সকলোৱে নিজৰ নিজৰ সুবিধা মতে কামবোৰ কৰি লোৱাহঁক।

**ঘাঘৰি মাজিঃ-** ব'ল, ব'লহঁত। দেউতা, আপুনি ইয়াতে ৰওঁক। আমি সেইপিনে বাহিৰ ফুৰি আঁহোগৈ।

(হৰসিংহই মঞ্চত ইফালে সিফালে চাব। হঠাতে আঁতৰত কিবা এটা দেখাৰ দৰে ডিঙি মেলি চাব।)

**হৰিসিংহঃ-** হেৰা, ঘাঘৰি মাজি, এইফালে আঁহা। সৌ আঁতৰত পানীৰ মাজত, সেই জাৰণিডৰাৰ আঁৰত, সেইটো কি? মানুহ নে আন কিবা, চোৱাচোন। নাৱৰীয়া কেইটাকো মাতা।

(ঘাঘৰি মাজি আৰু নাৱৰীয়া কেইজনৰ প্ৰৱেশ।)

**ঘাঘৰি মাজি ঃ-** দেউতা, নৰ-মনিচ নথকা এই নিজানত সেইটো মানুহ নহয় কিজানি?

**১ম নাৱৰীয়াঃ-** সেইটো ভূত হে হ'বলা?

**২য় নাৱৰীয়াঃ-** নহয় অ' সেইটো ডকাইত হে হ'বলা। তাৰ লগত চাগৈ আৰু এপাল আছে।

**৩য় নাৱৰীয়াঃ-** ডাঙৰীয়া, নিগমে মৰিম; নাৱত উঠকহি, ইয়াৰ পৰা আতৰো। বাকী কেইখন নাওঁ এতিয়াও আহি নাপালেহি। বিপদতহে পৰিম যেন পাওঁ।

**ঘাঘৰি মাজিঃ-** দেউতা, ই কথাটো পিছে ভালেই কৈছে। বলক, অচিন ঠাই। নাৱত উঠক। আপোনাৰ শতৰুৰ অভাৱ নাই। বলক, মানুহেই হওক বা ভূত পিশাচেই হওক ইয়াৰ পৰা আতৰো।

**হৰসিংহঃ-** নহয় হে, ঘাঘৰি মাজি। মই তোমালোকৰ কথামতে আতৰি যাব নোৱাৰো বুজিছা। মই স্বৰ্গদেউৰ এজন বিশ্বস্ত বিষয়া, উজিৰ। মোৰ নাম হৰসিংহ বৰা। সাধাৰণ মানুহৰ দৰে মই আচৰণ কৰিলে নহ'ব নহয়।

**ঘাঘৰি মাজিঃ-** যি ভাল দেখে দেউতা, আপুনি যি কৰিবলৈ কয়।

**হৰসিংহঃ-** হেৰ' নাৱৰীয়াহঁত। সেইজন মানুহেই হ'ব। ভূত-প্ৰেত তেনেদৰে পানীৰ মাজত থিয় হৈ থাকিব নোৱাৰে বুজিছ? আৰু ডকাইত হ'লেও ইমান সময় তাত তেনেকৈ থিয় হৈ কিয় থাকিব?

**ঘাঘৰি মাজিঃ-** হয় দেউতা, কথাতো হয়।

**হৰিসিংহঃ-** তহঁত কেইটা, তালৈ যা। কি কথা কি বতৰা চাই-চিটি আহগৈ।



(নাৱৰীয়া কেইটাই ভয় ভয়কৈ যাব।)

**ঘাঘৰি মাজিঃ-** দেউতা, কথাটো ভাল হ'ল নে নহ'ল?

**হৰসিংহঃ-** ভয় নকৰিবা মাজি, আমি মানুহ ইমান কেইজন আছোঁ, বাকীবোৰো আহি পাবহিয়ে। কিহৰ ভয় হে?

(নাৱৰীয়াকেইজন উধাতু খাই আহিব।)

**১ম নাৱৰীয়াঃ-** দেউতা, সেইজন এজন মানুহেই, হয়। পাৰলৈ উঠি আহিব নোৱাৰে বোলে?

**২য় নাৱৰীয়াঃ-** মানুহজনক পানীৰ পৰা উঠি আহিবলৈ কওঁতে ক'লে বোলে - কেনেকৈ উঠো, গাত কানি-কাপোৰ নাই। বৰ বিপদ বোলে।

**৩য় নাৱৰীয়াঃ-** দেউতা, কাপোৰ এখন পালেই মানুহজন উঠি আহিব বোলে। এতিয়া, কি কৰিবলৈ আজ্ঞা দিয়ে।

**হৰসিংহঃ-** মোৰ ভূনি, পচৰিয়া আৰু গামোছাখন সেই নাৱতে আছে। যা, তাৰ পৰা লৈ গৈ পিন্ধিবলৈ দেগৈ আৰু মোৰ কাষলৈ লৈ আহগৈ।

(নাৱৰীয়া কেইটাই কাপোৰ-কানিবোৰ লৈ, যাব।)

**ঘাঘৰি মাজিঃ-** হয়, দেউতা; এই নিজানত কাপোৰ-কানি নোহোৱা মানুহ, ক'ৰবাৰ পৰা উটি বুৰি আহিল হ'বলা।

**হৰসিংহঃ-** ৰ'বা। আহিবলৈ দিয়া। সকলোবোৰ গম পাবাই নহয়।

(গোবিন্দগিৰী আৰু নাৱৰীয়া কেইটাৰ প্ৰৱেশ)

**গোবিন্দগিৰীঃ-** সেৱাহে, ডাঙৰীয়া; আপুনি বৰ সহায়

কৰিলে।

**হৰসিংহঃ-** হ'ব, হ'ব। বয়সত জ্যেষ্ঠ, দেখাতো সুন্দৰ, আপুনিনো কোন? এই নিজানত!

**গোবিন্দগিৰীঃ-** কিনো ক'ম ডাঙৰীয়া। মোৰ পৰিচয় সুধিছে আপুনি? মই আছিলো বণ্ডুকাৰ কাকতি। মোৰ নাম গোবিন্দগিৰী। কাণখন সামান্য ডাঙৰ দেখি ইয়ে সিয়ে নাম দিলে বৰকণাগিৰী, কোনোৱে মাতে লামকণাগিৰী বুলি।

**হৰসিংহঃ-** বুজিলো বাৰু। কিন্তু কি কাৰণেনো এই জনপ্ৰাণীহীন ঠাইত এনেদৰে বিবস্ত্ৰ হৈ থকা হ'ল তাৰ কাৰণটোহে নুবুজিলো।

**গোবিন্দগিৰীঃ-** সেয়া বহুত কথা। মহাৰাজ প্ৰতাপৰায়ৰ মই আছিলো মজিন্দাৰ। বণ্ডুকাত সুখে-শান্তিৰে কটাইছিলো কাল। মোৰ পত্নীৰ নাম আছিল অনুচিতা। একেটি মাত্ৰ পুত্ৰ, নাম দামোদৰ। হঠাতে মোৰ প্ৰিয় পত্নী অনুচিতা ঢুকাল। পুত্ৰৰ বাবে আনিলো বোৱাৰী, নাম শচী। এবছৰনে ডেৰ বছৰ হ'ল, বোৱাৰীয়ে জন্ম দিলে নাতি অনিৰুদ্ধৰ। হঠাতে কি কেনা লাগিল জানো? পো-বোৱাৰীৰ লগত থকাটোৱেই মস্কিল হ'ল। ঘৰবাৰী সোপাই এৰিলো; পো দামোদৰক মজিন্দাৰ বিষয়বাবটো দি ঘৰ এৰি অঘৰী হ'লো।

**হৰসিংহঃ-** আপোনাৰ জীৱনটো দেখোন বৰ বিচিত্ৰ। তাৰ পিছত কি হ'ল, জানিবৰ মন গৈছে বৰ।

**গোবিন্দগিৰীঃ-** অ'ত ত'ত ঘূৰি, থিত ললোঁগৈ আলিপুখুৰীত, কুসুম্বৰদেউ ভূঞাৰ আশ্ৰয়ত। তেৱেঁই মনোহৰি



নামৰ এগৰাকীৰ লগত দ্বিতীয়বাৰ বিয়া পাতি দিলে। আঠুভাঙ্গা দোলা, আঠদুলিয়া লগত দি ৰটাৰ পাৰত বৰা পাতি থলে।

**হৰসিংহঃ-** তাৰ পাছত কি হ'ল?

**গোবিন্দগিৰীঃ-** কি ক'ম, কি শুনিব? সুখতেই আছিলো কিছু কাল। বিধিৰ বিপাক, বিপদ মোৰ বাৰেটি কাল। বোলে দৰিদ্ৰ লঙ্কালৈ যায়, সাগৰো শুকায় মাণিকো লুকায়।

**হৰসিংহঃ-** ভালকৈ বুজাই বঢ়াই কওক। আপোনাৰ সাঁথৰৰ মই উৱাদিহ পোৱা নাই।

**গোবিন্দগিৰীঃ-** ক'ম, ডাঙৰীয়া ক'ম। ...... ভোটৰ ৰণ। ভুটীয়াৰ উপদ্ৰৱত থাকিব নোৱাৰি সেই আঠোটা দোলাভাৰীক লগত লৈ আলি পুখুৰী এৰিলো, বোলো দূৰণিৰ ক'ৰবাত নিৰাপদ ঠাইত আশ্ৰয় লম। লগত পত্নী মনোহৰি। গাত তেওঁৰ পাচঁমহীয়া সন্তান

**হৰসিংহ ঃ-** তাৰ পাছত?

**গোবিন্দগিৰীঃ-** দোলাভাৰী কেইটাই, দোলাখন, বয়বস্তু সোপাকে লৈ গ'ল। লগতে দুয়োকে বিবস্ত্ৰ কৰি সৌ তাতে পেলাই থৈ গুছি গ'ল। ভাগ্যে প্ৰাণে নামাৰিলে। সাৰ পাই দেখো কথা বিষম, বিবস্ত্ৰ হৈ এতিয়া কলৈ যাওঁ? মনোহৰি ভয়ে, ভোকে-পিয়াহে সৌ জাৰণিৰ আৰতে আছে।

**হৰসিংহঃ-** হায়! হায়! মানুহ ইমান নিৰ্দয় হ'ব পায়নে? আইমাতৃ তাতে পৰি আছে। হেৰ, যা আইদেউহঁতৰ কাৰণে মই লৈ অহা পাটৰ ৰিহা-মেখেলাৰ টোপোলাটোৰ পৰা কাপোৰ এসাজ লৈ আহ। (নাৰৱীয়াক নিৰ্দেশ দিয়ে। ১ম নাৰৱীয়াই

30306/04

কাপোৰ এসাজ লৈ আহিব।)

**১ম নাৰৰীয়াঃ-** এয়া, কাপোৰ দেউতা।

**হৰসিংহঃ-** ডাঙৰীয়া, কাপোৰ সাজ লওক। আইমাতৃক দিয়কগৈ। আমি ইয়াতে আছোঁ। কাপোৰসাজ পিন্ধাই আইক ইয়ালৈকে লৈ আনকগৈ।

**গোবিন্দগিৰীঃ-** কি বুলিনো ধন্যবাদ দিম, মই ভাষাকে বিচাৰি পোৱা নাই। ঈশ্বৰক প্ৰাৰ্থনা কৰিছো, আপোনাৰ কুশল হওক; যশ,খ্যাতি বৈ বৈ যাওক। ইয়াকে কয় ৰাখে হৰি মাৰে কোনে? (প্ৰস্থান)

**হৰসিংহঃ-** ঘাঘৰি মাজি, কথা এটা কওঁ। কাণ পাতি শুনা। আজিৰ পৰা এই মানুহ হালক মই আই-বোপাই বুলি মানি লম। তুমি সকলোকে মোৰ আদেশ শুনাই দিবা, কোনোবাই অবাইচ মাত মাতিলে, নতুবা কোনোবাই মোৰ আই-বোপাইক অপমান কৰিলে মই সিহঁতক কঠোৰ শাস্তি দিম। কথাটো মনত থাকিবনে নাৰৰীয়াহঁত?

**নাৰৰীয়াহঁত (একেলগে)ঃ-** হ'ব দেউতা, আপোনাৰ আজ্ঞা মানি চলিম।

(গোবিন্দগিৰী আৰু মনোহৰিৰ প্ৰৱেশ)

**হৰসিংহঃ-** আই, বিনা দোষতে আপুনি বৰ কষ্ট পালে। আপোনাৰ গা ভাল নহয় বুলি গম পাইছো। নাৰলৈকে বলক। চিৰা-গাখীৰৰ জলপান এটা খাই অকণমান গাটো টঙাই লওকগৈ।

**গোবিন্দগিৰীঃ-** মনোহৰি, এওঁ কোন মই এতিয়াও



জনা নাই। কিন্তু তেওঁ আমাৰ বাবে ভগৱান। মানুহৰ নিষ্ঠুৰতাই মানুহৰ ওপৰত অবিশ্বাস আনিছিল। কিন্তু এই মহান ব্যক্তিজনাৰ উদাৰতাই আকৌ সেই বিশ্বাস ঘূৰাই আনিছে।

**মনোহৰিঃ-** (হৰসিংহক সেৱা কৰিবলৈ যায়।)

**হৰসিংহঃ-** কি কৰে আই। সেৱা কৰি মোক নৰকলৈ পঠিয়াব খুজিছে নেকি? আইমাতৃ, মোৰ আই-বোপাই নাই, অনাথ মই। পত্নী আছে, কিন্তু নিঃসন্তান। আজিৰ পৰা আই-বোপাই বুলি আপোনালোক দুজনক মই গ্ৰহণ কৰিলো। পুত্ৰ বুলি মোক আপোনালোক দুয়ো গ্ৰহণ কৰক।

**গোবিন্দগিৰীঃ-** কিন্তু আপুনি?

**হৰসিংহঃ-** অ' আপুনি মোৰ পৰিচয় জানিব খুজিছে? মোৰ নাম হৰসিংহ, বহুতে মোক হৰিশিঙা বুলি জানে। স্বৰ্গদেউৰ এজন উজিৰ। লাচিত বৰফুকনে বঙ্গাল গেদি নগৰ পাতিছে। মই মহাৰাজক নগৰখনৰ কৰ-কাটল তুলি দি সহায় কৰো। আপোনালোকে নিঃসন্দেহ হৈ নিশ্চিন্তে মোক পুত্ৰ বুলি গ্ৰহণ কৰক।

**মনোহৰিঃ-** কোনোবা জনমত পুণ্য কৰিছিলো। ভগৱান ক'ত আছে নাজানো। কিন্তু আজি এই বিপদৰ সময়ত আপুনি আমাৰ বাবে ত্ৰানকৰ্ত্তা ভগৱান। সেই কথা শতমুখে স্বীকাৰ কৰো।

**গোবিন্দগিৰীঃ-** হয়, মনোহৰি। এই কথা মই এওঁক অলপ আগতে কৈছোৱেই।

**হৰসিংহঃ-** নহয়, নহয়; তেনেদৰে নক'ব। স্বৰ্গদেউৰ

এজন বিষয়া হিচাপে প্রজাৰ মঙ্গল সাধন কৰাটোৱেই মোৰ কাম। পিতা-মাতাহীন, নিঃসন্তান হৰসিংহৰ নিজৰো স্বাৰ্থ আছে। বলক আই, আপোনাৰ গৰ্ভৰ সন্তানে মোৰ আন্ধাৰ ঘৰ পোহৰাব, মোৰ সন্তানহীনা পত্নীৰ হৃদয়ত জীয়াই থকাৰ প্রেৰণা দিব। এই অকিঞ্চনক দয়া কৰক আই, পিতা।

(হৰসিংহই গোবিন্দগিৰী আৰু মনোহৰিক সেৱা কৰিব। নাৰৱীয়া হঁতেও সেৱা কৰিব।)

(পট পৰিব।)

০০০

Mahesh Chandra Dev Goswami Library
Nowgong Girls College
Acc. No. 30306
Date 10.9.04



## তৃতীয় দৃশ্য

(হৰসিংহ উজিৰৰ ঘৰৰ চোতাল। হৰসিংহ, উজিৰ, গোবিন্দগিৰী আৰু মনোহৰিৰ প্রৱেশ।)

**হৰসিংহঃ-** (গলহেকাৰি মাৰি) হেৰ ঘৰখন দেখোন কাঁহ পৰি জিন গৈ আছে। লগুৱা লিকচৌ, বন্ধা-গোলাম, লঠৰীয়া, বহতীয়া কোনো ক'তো নাই। তহঁতবোৰ গ'লি কলৈ? হেৰ বৰঘৈণী, সৰুঘৈণী, দুয়োজনীৰ দেখোন কাণষাৱেই নাই।

(লিগিৰী এজনী ওলাই আহিব।)

**লিগিৰীঃ-** আছে, দেউতা আছে। সকলোবোৰ আছে। কামে বনে লাগি আছে। আপুনি অহা গমকে নাপায়। গম পালেই থিতাদহে আহিব নহয়।

**হৰসিংহঃ-** হেৰ, বৰঘৈণী, সৰু ঘৈণীক মাত। দুয়োজনীয়ে গমেই নাপায় নে? লগত আলহী অতিথি আহিছে খবৰ দেগৈ।

**লিগিৰীঃ-** খবৰ পাইছেই, দেউতা। এই আহি পাবহি এতিয়াই। দেউতা হঠাতে এনেকৈ পাবহি বুলি জনা নাছিল নহয়। কাপোৰকানি সলাই আহিছে ৰ'ব।

**হৰসিংহঃ-** যা, সোনকালে আহিবলৈ ক'। আলহী নহয় ঘৰৰ মানুহ আহিছে। বৰঘৈণী, সৰু ঘৈণীক ক' হাত মুখ ধুবলৈ পানী দিয়ে যেন আৰু ভিতৰলৈ আদৰি নিবলৈ যা-যোগাৰ কৰিবলৈ ক।

**লিগিৰীঃ-** হ'ব দেউতা, হ'ব, তেনে দৰেই ক'ম।

(ভিতৰলৈ সোমাই যায়।)

হৰসিংহঃ- মই সাধাৰণতে বাহিৰলৈ গ'লে কেতিয়া আহোঁ ইহঁতে গমেই নাপায়। ৰ'ব, অকণমান। আইমাতৃ দোষ নধৰিব। সিহঁত ওলাই আহিবই এতিয়া।

(বৰঘৈণী আৰু সৰুঘৈণীয়ে পানীৰ কলহ এটা, গামোছা এখন, বিচনী কেইখনমান চাকি-বন্তি, ধূপ-ধুনাৰে আগবঢ়াই নিবলৈ আহে।)

বৰঘৈণীঃ- ক্ষমা কৰিব ডাঙৰীয়া। অ' এয়া আলহীও দেখোন। যা-যোগাৰ কৰোতে অকণমান দেৰি হ'ল, আপুনি আগতিয়াকৈ খবৰ এটা পঠিয়াব লাগিছিল আকৌ।

হৰসিংহঃ- ৰ'বা। খবৰটো পঠিয়াবলৈ নিবিচাৰিলো। বোলো একেবাৰে হঠাতে গৈ তোমালোকক চমক খুৱাই দিওগৈ।

সৰুঘৈণীঃ- এখেত সকলৰ পৰিচয় নাপালো। কোননো বাৰু ডাঙৰীয়া?

হৰসিংহঃ- কোন কেনেকৈ জানিবা। এইবাৰ মোৰ যাত্ৰা বৰ শুভ বুজিছা। ইমানদিনে আই-বোপাইক হেৰুৱাই নিঠৰুৱা হৈ আছিলো। ঈশ্বৰে এই যাত্ৰাত মোৰ মনৰ ইচ্ছা পূৰণ কৰিলে। এয়া আইমাতৃ, এয়া পিতা। তোমালোকেও তেনেদৰেই সম্মান কৰিবা।

(বৰঘৈণী আৰু সৰুঘৈণীয়ে গোবিন্দগিৰী আৰু মনোহৰিক সেৱা কৰিব।)

বৰঘৈণীঃ- আমাৰ পৰম সৌভাগ্য। এই জনমত শাহু-শহুৰৰ সেৱা কৰিবলৈ ভাগ্য হ'ল।

সৰুঘৈণীঃ- হয়, বাইদেউ। গিৰিহঁতৰ সুখেই আমাৰ



সুখ। তেখেতৰ ইচ্ছাই আমাৰ ইচ্ছা। আপুনি আই-বোপাই বুলিছে যেতিয়া, এওঁলোক আমাৰো আই-বোপাই হ'ল।

হৰসিংহঃ- উত্তম বুলিছা। মোৰ দুই পত্নীৰ বাবে মই গৌৰৱ কৰিব পাৰো। শুনা, দুয়োজনীকে মই আইমাতৃৰ ভাৰ দিলো। এওঁ সন্তান সম্ভৱা। বৰ দুখ-কষ্ট পাই আহিছে। তোমালোকে এওঁৰ যত্ন লবা।

বৰঘৈণীঃ- হ'ব, ডাঙৰীয়া, আপোনাৰ আজ্ঞা আমি আখৰে আখৰে পালন কৰিম।

হৰসিংহঃ- মনত ৰাখিবা, এওঁলোকে ক'ৰবাত কিবা কথাত কষ্ট পালে, মই মনত বৰ কষ্ট পাম।

সৰুঘৈণীঃ- সেইটো নকলেও হ'ব ডাঙৰীয়া। আপোনাৰ মনত কষ্ট দিয়াৰ কথা আমি দুয়োজনীয়ে ভাবিবই নোৱাৰো।

হৰসিংহঃ- দুয়োজনৰে গা-পা ধোৱাৰ আৰু খোৱা-বোৱাৰ যা-যোগাৰ কৰি দিয়াহঁত।

গোবিন্দগিৰীঃ- হ'ব হ'ব। আমাৰ বাবে ইমান খৰখেদা কৰিব নালাগে। আপোন বুলি ইমানখিনি কৰিছে, তাৰ বাবে নিজকে ধন্য যেন লাগিছে।

বৰঘৈণীঃ- আহক, আইমাতৃ ভিতৰলৈ আহক।

সৰুঘৈণীঃ- দেউতা, আপুনিও আহক, ভিতৰলৈ ব'লক।

হৰসিংহঃ- অ' এটা কথা ক'বলৈ পাহৰিছোঁ। এতিয়াই কৈ থওঁ। আইমাতৃৰ এতিয়া পাচঁমাহ। তোমালোকে পঞ্চামৃত খুৱাবৰ যা-যোগাৰ কৰিবাহঁক। মই আকৌ ৰাজকাৰ্য্যৰ উদ্দেশ্যে তিনিমাহৰ বাবে যাত্ৰা কৰিম। মোৰ অনুপস্থিতিত সকলোবোৰ ভাৰ তোমালোক দুজনীৰ ওপৰত থাকিব।

**বৰঘৈণীঃ**- আহিছিল হে। দিনচেৰেক নথকাকৈ আকৌ যাবলৈ হ'লেইনে?

**সৰুঘৈণীঃ**- আই, বোপাই আহিছে। কেইদিনমান জিৰাই-শতাই গ'লে নহয়নে?

**হৰসিংহঃ**- তোমালোকে কি বুজিবা? ৰাজবিষয়াৰ দায়িত্বই এনেকুৱা। অৱশ্যে আইমাতৃৰ ন-মাহ হওঁতেই মই পামহিয়েই। চাই থাকোতেই তিনিমাহ যাব।

**বৰঘৈণীঃ**- আই, আপুনি চিন্তা নকৰিব। আমাৰ সতি-সন্তান নাই। সেইবুলি আমি আপোনাৰ সন্তানৰ মঙ্গলৰ কাৰণে অকণো অৱহেলা নকৰো। নে কি কৱ সৰুজনী?

**সৰুঘৈণীঃ**- হয় বাইদেউ, অকল পঞ্চামৃতৰে যা-যোগাৰ কৰি এৰিম নে? আমাৰ আন্ধাৰ জুপুৰিত স্বয়ং ঈশ্বৰেই কৃষ্ণ গোসাঁই হৈ ওপজিবলৈ আহিছে কিজানি? আমি সাধাৰণ মনিচে নামকৰ্ম্ম, জাতকৰ্ম্ম, চূৰাকৰ্ম্ম, কৰ্ণবিন্ধন, উপনয়ন, অন্ন-প্ৰাসন ক্ৰমে দশকৰ্ম কৰাম।

**হৰসিংহঃ**- আঃ বৰ সুখ পালো। বৰঘৈণী, সৰুঘৈণী, তোমালোক দুয়োজনীয়ে মোৰ মনৰ কথা ক'লা। এওঁলোক মোৰ আই-বোপাই যেতিয়া, ঈশ্বৰে কৰিলে সি জনম লভিবলগীয়াটো হ'ব মোৰ সম্বন্ধত ভাই। মই হৰসিংহৰ কিহৰ দুখ? নিঃসন্তান মই পালো, দুগৰাকীকৈ গুণৱতী পত্নী, পিতা-মাতা আৰু পাম ভাই। হাঃ হাঃ হাঃ।

(পট পৰিব)

০০০



## চতুৰ্থ দৃশ্য

(হৰসিংহৰ ঘৰৰ আগচোতাল। লিগিৰী দুজনীমানে ব্যস্ততাৰে আহজাহ কৰি থাকিব। বৰঘৈণী আৰু সৰুঘৈণীৰ প্ৰৱেশ, ভিতৰত কেঁচুৱাৰ কান্দোন।)

**বৰঘৈণীঃ**- দেখিছনে সৰুজনী, গদলা দলৈটো এতিয়াও আহি পোৱাহি নাই। আইমাতৃৰ গাটো এতিয়া পিছে ভাল। যা-চোন ল'ৰাটোক চাগৈ। আমনি কৰিছে নেকি?

**সৰুঘৈণীঃ**- গৈছো, বাইদেউ. কি সুন্দৰ, সুঠাম, মৰম লগা ল'ৰাটো। তাক দেখিলে, কাষৰ পৰা আহিবলৈ মন নাযায়। চাই থাকোতেই আজি পাচঁদিন হ'লহি নহয়?

**বৰঘৈণীঃ**- হয় দে, আমাৰেই সৌভাগ্য। এন্ধাৰ ঘৰ পোহৰ কৰিবলৈ তাৰ মৰমৰ মাধুৰীৰে জীয়াই থাকিবলৈ আমি গোটেইজাকে সুবিধা পালো।

**সৰুঘৈণীঃ**- হয় দিয়ক বাইদেউ। আমি দুয়োজনী তাৰ যশোদা আই। সি আমাৰ কৃষ্ণ গোসাঁই।

(বাহিৰত গদলা আতৈৰ মাত।)

**গদলাঃ**- বোলো ঘৰত কোন আছে?

**বৰঘৈণীঃ**- আহক দেউ, ইয়ালৈকে আহক। সৰুজনী, তই ভিতৰত ডাঙৰীয়াক খবৰ দে, পিতাইকো মাতিবি। (বহিবলৈ কঠ এখন আৰু গুৱা-পাণৰ মাননি এটা বটা এখনত আগবঢ়াই দিব।) বহক দেউ, এখন্তেক বহক। বৈ বৈ তেওঁলোক

ভিতৰলৈ গৈছে। আহিবই এতিয়া।

গদলাঃ- হ'ব, হ'ব। মুকলিতে বহোঁ।

(গোবিন্দগিৰী আৰু হৰসিংহৰ প্ৰৱেশ, বৰঘৈণীৰ প্ৰস্থান।)

গোবিন্দগিৰীঃ- আহিলে, দেউ। ল'ৰাটিৰ নাম এটি চাই-চিটি দিয়ক।

হৰসিংহঃ- হয় দেউ, মোৰ একেটি ভাই। দিয়কচোন নামটো গণি-পিটি ভালকৈ চাই।

গদলা আতৈঃ- নিশ্চয়, নিশ্চয়। (গদলাই গণনা কৰিব।) কওকচোন, ল'ৰাটো ওপজিল কেতিয়া?

গোবিন্দগিৰীঃ- আজিৰ পৰা পাঁচদিন আগত, নিশা ভাগত।

গদলা আতৈঃ- হ'ব। হ'ব। পাইছো। আজিৰ পৰা পাঁচদিনৰ আগত যেতিয়া সেই দিনটো আছিল জেঠমাহৰ দেওবাৰ, অমাবস্যা তিথি, ভৰণী-নক্ষত্ৰ, ১৪১১ শকৰ এদিন যাওঁতে, দুই প্ৰহৰৰ নিশা। বৰ উত্তম, বৰ উত্তম। এয়া আপোনাৰ গৃহত পুত্ৰ হৈ জন্ম হৈছে স্বয়ং গুৰুজন। এওঁ অনেক অলৌকিক শক্তি সম্পন্ন হ'ব আৰু অসাধাৰণ পণ্ডিত হ'ব – অতি বিচক্ষণ, বুদ্ধিত বৃহস্পতি তুল্য হ'ব।

গোবিন্দগিৰীঃ- কি ক'লে দেউ? এয়া আমাৰ পৰম সৌভাগ্য।

হৰসিংহঃ- জাত গণনা কৰি কওক তাৰ কুশল-মঙ্গলৰ কথা। লগতে তাৰ নামটোও কওক।



গদলা আতৈঃ- বেদ, জ্যোতিষে কয়, আপোনাৰ ঘৰত ওপজা এই ল'ৰা অসাধাৰণ। এওঁৰ অনন্ত মহিমা। এওঁ ঈশ্বৰ শক্তি, সাধাৰণ মনুষ্য নহয়। বোলো গোবিন্দগিৰী, তোমাৰ পুত্ৰ মাধৱ, ৰোহিনী পুত্ৰ সেই মাধৱেই ওপজিছে তোমাৰ পুত্ৰ হৈ। সেই নামেৰেই তোমাৰ পুত্ৰৰ নামকৰণ কৰিলো মাধৱ।

গোবিন্দগিৰীঃ- (ওপৰলৈ হাতযোৰ কৰি) কৃষ্ণ! কৃষ্ণ! হে ভগৱান, দয়াময়, অনাথৰ নাথ।

হৰসিংহঃ- আমাৰ পৰম সৌভাগ্য, বিপ্ৰ দামোদৰৰ ঘৰত স্বয়ং কৃষ্ণৰ জন্ম।

গদলা আতৈঃ- গোবিন্দগিৰী, তোমাৰ পুত্ৰ হ'ব মহাধীৰ, গহীন, ক্ষমাশীল, কৃপা আৰু ধৈৰ্য্যত বিষ্ণুসম ঃ তোমাৰ পুত্ৰৰ বাবেই বহু জীৱ নিস্তৰিব, তোমাৰ কুশল হ'ব; পৃথিৱীত নাম, যশ, খ্যাতি ৰাখিব।

(গোবিন্দগিৰী আৰু হৰসিংহই প্ৰণাম কৰিব।)

হৰসিংহঃ- হেৰা বৰঘৈণী, সৰুঘৈণী, এইফালে আহা। আইক কোৱা, আমাৰ ঘৰত মাধৱৰ জন্ম হৈছে। আমাৰ ঘৰত আজিৰ পৰা মাধৱৰ জয় জয়। গদলা আতৈক ভালকৈ জলপান খুৱাই, দান-দক্ষিণা দিয়া। আঃ কি স্বৰ্গীয় সুখ! হাঃ হাঃ হাঃ।

(পট পৰে।)

০০০

## পঞ্চম দৃশ্য

(মাধৱে লগৰীয়াৰ লগত চোতালত খেলি থাকিব। মনোহৰিয়ে হাতত লেটাই এটা লৈ সূতা লৈ থাকিব, মাধৱ আহি আয়েকৰ কাষত বহিব।)

**মাধৱঃ-** আই, এইবোৰ থচোন। বল কিবা এটা খাবলৈ দে।

**মনোহৰিঃ-** ৰ, বোপাই; গৈছো, অকণমান ৰ, হ'বই এতিয়া। (বৰঘৈণী, সৰুঘৈণীৰ প্ৰৱেশ।)

**বৰঘৈণীঃ-** আহ, মাৰক আমনি কৰিব নালাগে। সৰুজনী যা কিবা এটা খুৱাই দেগৈ।

**সৰুঘৈণীঃ-** আহ, মাধৱ, তই কি খাৱ খাহি আক'।

**মাধৱঃ-** নাখাওঁ, নাখাওঁ(গুচি যায়)

**মনোহৰিঃ-** মাধৱ, তই দেখোন এই মাত্ৰ ভোকত উত্ৰাৱল হৈ আহিছিলি। এতিয়া হঠাতে তোৰ ভোকটো গ'ল কলৈ?

**বৰঘৈণীঃ-** (চিঞৰি) মাধৱ, তই সেই বৰকাঠখৰিৰ মেজিটোৰ কাষলৈ কিয় গৈছ?

**সৰুঘৈণীঃ-** আই, চাওকচোন, সেয়া সি মেজিটো গুৰিয়াইছে কেনেকৈ চাওক।

**মনোহৰিঃ-** মাধৱ, মেজিটো গুৰিয়াইছ কিয়? ভাগি পৰিব। (নেপথ্যত ডাঙৰ শব্দ হ'ব।) অ' কতে মৰো? মাধৱ, মোৰ বোপাই অ' তই মোক এৰি ক'লৈ গলি অ, ......



(কান্দে)

**বৰঘৈণী, সৰুঘৈণীঃ-** মাধৱ, মাধৱ, অ' গোসাঁই কতে মৰো খৰি সোপাই হেচামাৰি ধৰিলে দেখোন? গ'লেই হবলা অ' (কান্দে)

**মনোহৰিঃ-** অ' আইহঁত, বল অ, মাধৱক উলিয়াই আনহঁত। মানুহ মাত, হেৰ' কোন ক'ত আছ মাধৱক খৰিৰ চেপৰ পৰা বাহিৰ কৰি দেহি। (তিনিওজনীয়ে কান্দিব। মাধৱৰ প্ৰৱেশ।)

**মাধৱঃ-** অ' আই কান্দিছ কিয়? অ' নবৌ কান্দিছ কিয়?

(মনোহৰি, বৰঘৈণী, সৰুঘৈণীয়ে মাধৱক সাবটি ধৰিব।)

**বৰঘৈণীঃ-** বোপাই, তই ঈশ্বৰৰ অৱতাৰ হ'বলা? নহ'লে পৰ্ব্বত যেন খৰিৰ মেজিটো গুৰিয়াই পেলাই তাৰ হেচাত নমৰাকৈ কেনেকৈ থাকিলি?

**সৰুঘৈণীঃ-** অ' মাধৱ, গোসাঁই অ,' আগলৈ পাছলৈ তই একেটাই ল'ৰা। তোৰ লীলা বুজিবই নোৱাৰো বোপাই।

**মনোহৰিঃ-** মাধৱ, আহ মোৰ বুকুলৈ আহ।

**মাধৱঃ-** আই।

(সাবটি ধৰে। পট পৰে)

০০০

## ষষ্ঠ দৃশ্য

(গোবিন্দগিৰী আৰু হৰসিংহ বহি থাকিব।)

**হৰসিংহঃ-** পিতা, আমাৰ এতিয়া মানে ছাগলী কিমানমান হ'ল?

**গোবিন্দগিৰীঃ-** ছাগলী মুঠতে দুশ দুটা; পাটগোহালী ভৰি আছে। ৰখীয়া চাৰিটা। (ৰখীয়া এটাৰ প্ৰৱেশ।)

**ৰখীয়াঃ-** উজিৰ দেউতা, এটা বিষম ঘটনা হ'ল।

**হৰসিংহঃ-** কি হ'ল?

**ৰখীয়াঃ-** পথাৰত আমাৰ দুটা ছাগলীয়ে যুঁজি আছিল। ক'ৰপৰা জানো মাধৱ আহিল, পাছ ঠেঙত ধৰি দুয়োটা ছাগলী দুফালে দিলে দলি মাৰি। দুয়োটাৰে ঠেং ভাগিল।

**গোবিন্দগিৰীঃ-** ইয়াৰ কিমান জগৰ শুনিম। ইয়াত থকাই মস্কিল হ'ল। এই ঠাই তাৰ বাবেই এৰিবৰ হ'ল।

**হৰসিংহঃ-** একো নহয় পিতা। ৰখীয়া, তই যা, ছাগলী ভাল হ'ব।

(আন এটা ৰখীয়াৰ প্ৰৱেশ।)

**ৰখীয়াঃ-** দেউতা, আচৰিত কথা এটা ক'বলৈহে আহিছিলো।

**হৰসিংহঃ-** কি কথা?

**ৰখীয়াঃ-** মাধৱৰ আশ্চৰ্য্য শক্তি। ঠেংভঙা ছাগলী দুটা পৰি আছিল ধোবাং-বাং দি। মাধৱে চুবলৈহে পালে জপিয়াই ফুৰিছে, গোটেইখন। দেখি সকলো আচৰিত হ'ল।



**হৰসিংহঃ-** পিতা, মই কোৱা নাছিলো, চিন্তাৰ কাৰণ নাই, ছাগলী ভাল হ'ব বুলি। মাধৱৰ মহিমা আছে। নহ'লেনো মাধৱৰ জন্মৰ পিছৰ পৰাই এই হৰসিংহৰ ঘৰ ধনে, ধানে, গৰু, ম'হৰে উভৈনদী হয়নে?

**গোবিন্দগিৰীঃ-** তেনেকৈ নক'বা উজিৰ বোপা, এয়া তোমাৰ বদান্যতা।

**হৰসিংহঃ-** নহয় পিতা। মই বহুবাৰ মাধৱৰ মহিমা দেখিছো। সি জন্ম হোৱা বছৰৰ কথা। চ'তমাহত সেইযে শিলা বৃষ্টি হৈছিল। গছ-বন, শস্য, ফলমূল, পশুপক্ষী কিমানযে হানি হ'ল, কতা মোৰ দেখোন ছাবিছ পুৰা মাটিত শিলা বৃষ্টি, বজ্ৰপাত্ একোৱে নহ'ল। মই তেতিয়াই গম পাইছিলো মাধৱ সাধাৰণ শিশু নহয়।

**গোবিন্দগিৰীঃ-** মোৰ, তাৰ বাবে মাজে মাজে ভয় হয় বোপা।

**হৰসিংহঃ-** মাধৱৰ বাবে? মিছায়ে কৰিছে ভয়। কিয় মনত নাই তেতিয়া মাধৱ তেনেই শিশু। মাধৱে আখাৰ জুইত বহাই থোৱা ধানৰ ওপৰত কেনেকৈ বহি আছিল। তলত জুই, তপত ধান, ক'তা মাধৱৰ দেখোন একোয়েই নহ'ল। ইপিনে আইমাতৃ আৰু আমাৰ দুয়োজনীয়ে কান্দি কাটি বিয়াকুল।

**গোবিন্দগিৰীঃ-** জানো উজিৰ বোপা, তথাপি সন্দেহ হয়। বাপেকী মন, সেইবাবেই চাগৈ?

**হৰসিংহঃ-** মোৰ দেখোন মাধৱক লৈ অকণোকে চিন্তা নহয়। জেঠমহীয়া ভীষণ জ্বৰত চটফটাই আছিলো। তেৰদিন

অনাহাৰে জ্বৰত প্ৰাণ যাওঁ যাওঁ। সকলো বিহবল, আপুনিও।

**গোবিন্দগিৰীঃ-** হয়, উজিৰ বোপা, কিযে ভয়ানক জ্বৰ, ভগৱানে বচালে বুলিহে।

**হৰসিংহঃ-** হয় ভগৱানেই বচালে। মাধৱ ভগৱানে। মাধৱৰ হাতৰ পৰশত ক'ৰ জ্বৰ কলৈ গ'ল ক্ষন্তেকতে। আকৌ খাব-বব পৰা হ'লো লগে লগেই। বুজিলো মাধৱ সাধাৰণ মানুহ নহয়, ঈশ্বৰ সাক্ষাত, ছদ্মবেশ ধৰি নৰদেহা গ্ৰহণ কৰিছে মাথো। অৱশ্যে তাৰ জন্মৰ সময়তেই প্ৰমাণ পাইছিলো মই।

(পট পৰে।)

০০০



## সপ্তম দৃশ্য

**(কাতিমাহ বৰ আকাল,** মনোহৰি, গোবিন্দগিৰী আৰু মাধৱ ভোকাতুৰ হৈ থাকে।)

**মাধৱঃ-** আই, কিবা এটা খাবলৈ দে। ভোক লাগিছে অ'।

**মনোৰমাঃ-** হেৰি, কিবা এটা কৰক। ল'ৰাটোৱে আজি দিনটোত একো এটা মুখত দিবলৈ পোৱা নাই। চৰু হাড়ী সকলো উদং। কিবা এটা যা-যোগাৰ কৰক। ঘৰতে হাত সাবটি বহি থাকিলে হ'বনে?

**গোবিন্দগিৰীঃ-** পাৰোতেনো ঘৰতে হাত সাবটি বহি আছোনে, মাধৱৰ মাক। গোটেই দেশখনতে আকাল, তাতে কাতি মাহ। কোনে কাক কি দি সহায় কৰিব হয়নে?। বলা, বলা, পানীকে পি পাটীত তিনিওটা পৰি থাকোগৈ।

**মনোৰমাঃ-** আমি দুয়োজনে দুই-তিনি সাজ খাবলৈ পোৱা নাই, কথা নাই; সহিম বাৰু। কিন্তু উঠি অহা ল'ৰাটোৱে আজি দুই তিনিসাজ উপবাসে আছে; মই মাক হৈ কেনেকৈ সহোঁ?

**মাধৱঃ-** আই, মই সহিব পাৰিম বলা। ভিতৰতে শুই থাকোগৈ। পিতা বলা। (তিনিওজনৰে প্ৰস্থান। হৰসিংহৰ প্ৰৱেশ।)

**হৰসিংহঃ-** হেৰা বৰঘৈণী, সৰুঘৈণী, কোনজনী আছা, ওলাই আহাহঁত। ভাগৰে জুগৰে আহিছো। ইয়াতে কিবা এটা খাবলৈ দিয়া। হাত-ভৰি ধুইয়েই আহিছোঁ।

**বৰঘৈণীঃ-** ইয়াতে বহি জলপান খাব নে? কাতি মাহৰ আকাল, খাই থাকোতেই কোনোবা নহয় কোনোবা ওলাবহি, ভিতৰলৈকে বলক, তাতে খাব।

**হৰসিংহঃ-** কোনে দেখিবনো? মাধৱ, পিতা আৰু আইৰ বাহিৰে আছেনো কোন? সৌ সিটো ঘৰতে সিহঁত আছে, মাতাচোন সিহঁতক। সাৰ-সুৰ একো নাই দেখোন। সিহঁতবোৰ ক'লৈ নো গ'ল?

**বৰঘৈণীঃ-** শুইছে হবলা, শুবলৈ দিয়ক। মই সৰুক জলপান আনিবলৈ কওঁগৈ। (প্ৰস্থান)

**হৰসিংহঃ-** আতা, অ, পিতা, আই, অ, আই। বোলো মাধৱ তোৰ দেখোন সা-শব্দ নাই হেৰ, ক'ত আছ, ওলাই আহ।

(গোবিন্দগিৰী, মনোহৰি আৰু মাধৱৰ প্ৰৱেশ।)

**গোবিন্দগিৰীঃ-** উজিৰ বোপা, ভালে কুশলে আহি পালাহি?

**মনোহৰিঃ-** তুমি অলপ জিৰাই-শতাই লোৱা, পিছে পৰেও কথা-বতৰা পাতিব পাৰিবা।

**হৰসিংহঃ-** একো নহয়, আই। তোমালোকক দেখাৰ লগে লগে ভোক পিয়াহ দূৰ হ'ল। অ' মাধৱ, আহচোন, আজি কিমানদিন যে তোক দেখা নাই। আহ, মোৰ ওচৰলৈ আহ।

**মাধৱঃ-** ককাইদেউ,

**হৰসিংহঃ-** হেৰ, তোৰ মুখখন দেখোন তেনেই শুকাই আছে। খোৱা-বোৱা কৰা নাই নেকি? নে কিবা অসুখ?



**মাধৱঃ-** ককাইদেউ, মই ঠিকেই আছো।

**গোবিন্দগিৰীঃ-** সেইবোৰ তুমি চিন্তা কৰিব নালাগে। সকলো ঠিকেই আছে। তুমি অলপ জিৰাই লোৱা। আহ, মাধৱ।

**হৰসিংহঃ-** আই, সঁচা কথা কওক, তিনিওটা মানুহৰ চেহেৰা মলিয়ন হৈ আছে। কিবা অথন্তৰ নেকি? মোৰ চিন্তা হৈছে কিন্তু? আজি অলপদিন মই ঘৰত নাই। কি, হৈছে কওক।

**মনোহৰিঃ-** নাই, সকলো ঠিকেই আছে। কাতিমাহ, আকাল, সেয়েই আৰু ......

**হৰসিংহঃ-** কাতিমাহ? আকাল? হৰসিংহৰ আই-বোপাই-ভাইৰ বাবে আকাল? সৰুঘৈণী, বৰঘৈণী এইফালে আহা। (হাতত কাঁহৰ কাঁহীত, কাহঁৰ বাতিত জলপান সজাই লৈ দুয়োজনীৰ প্ৰৱেশ।)

**বৰঘৈণীঃ-** ডাঙৰীয়া, এয়া আনিছো।

**হৰসিংহঃ-** ৰ'বা। মোৰ খোৱাৰ হেপাহ পলাই গৈছে। আই, পিতা আৰু মাধৱক তোমালোক দুজনীৰ ভৰষাত এৰি থৈ গৈছিলো। এওঁলোকৰ পাগ্ পানী হৈছেনে নাই খবৰ লৈছিলানে?

**বৰঘৈণীঃ-** পিতা আৰু আয়ে আমাক একো জনোৱা নাই, ডাঙৰীয়া।

**সৰুঘৈণীঃ-** আমাক, একো নকলেনো আমি কেনেকৈ জানিম।

**হৰসিংহঃ-** ছিঃ ছিঃ। হৰসিংহ উজিৰৰ একেটা চৌহদৰ সৌ ঘৰটোত তিনিটা মানুহে কিবা খাইছেনে নাই সেই কথা

তোমালোকে খবৰ কৰিব লাগে নে পিতা-আই আৰু ভাই মাধৱে তোমালোকক জনাব লাগে? অন্ততঃ মই তোমালোকৰ পৰা এনে আশা কৰা নাছিলো বৰঘৈণী, সৰুঘৈণী।

**বৰঘৈণীঃ**- আমাৰ ভুল হ'ল ডাঙৰীয়া, ক্ষমা কৰক।

**সৰুঘৈণীঃ**- ক্ষমা কৰক ডাঙৰীয়া।

**হৰসিংহঃ**- ক্ষমা, মই কিয় কৰিম। মোৰ জগৰ লগোৱাৰ আগতে তোমালোকে জগৰ লগাইছা মোৰ পিতা আৰু আইৰ ওচৰত। তাতকৈ জগৰ লগাইছা মোৰ ভাই মাধৱৰ।

**বৰঘৈণীঃ**- আমি বৰ লজ্জিত ডাঙৰীয়া। এনে ভুল আমি কেতিয়াও নকৰো আৰু।

**সৰুঘৈণীঃ**- এইবাৰলৈ আমাক ক্ষমা কৰক, ডাঙৰীয়া, এনে ভুল কেতিয়াও নকৰো আগলৈ।

**হৰসিংহঃ**- বোলে যাৰ যহত শাক সেন্দূৰ তাকে পাতে ভোকোৰা এন্দুৰ। মই ৰাজকাৰ্য্যত ফুৰো, তোমালোকে আই, বোপাইৰ, ভাইৰ খবৰ নাৰাখিলা। পিতা, আই মোৰ বাপ-মা, মাধৱ মোৰ জীৱৰ ঈশ্বৰ ঃ সেই সকলক উপবাসে ৰাখিছা। হায়! হায়!

**বৰঘৈণীঃ**- আই, পিতা, এইবাৰৰ বাবে দোষ মৰিষণ কৰক, অধৰমীক ক্ষমা কৰক। মাধৱ, মোৰ গোসাঁই নিজ গুণে ক্ষমা কৰা।

**মাধৱঃ**- নবৌ।

**মনোহৰিঃ**- সৰু, বৰজনী।

**গোবিন্দগিৰীঃ**- উজিৰ বোপা এওঁলোকৰ দোষ নাই। আমিয়েই জনোৱা নাছিলো। মিছাই খং নকৰিবা বোপা।



**হৰসিংহঃ**- খং মোৰ উঠাটো স্বাভাৱিক পিতা। মাধৱৰ মহিমা ইহঁতে আজিও বুজি পোৱা নাই। পাহৰি গ'ল, সেই সিদিনাৰ কথা। সাতজনী গাই খীৰাবলৈ, সাতোটা পোৱালী বান্ধি থৈছিল গোহালিত। মাধৱে মেলি দিলে। গুৱালে আটাহ পাৰিলে। মই বোলো, মাধৱ কিয় পোৱালি খুলি দিলি? গাখীৰ পাম কেনেকৈ? মনত আছেনে মাধৱ?

**মাধৱঃ**- হয় ককাইদেউ, মই কৈছিলো গাখীৰ দোৱাই চোৱা, গাখীৰ নাপালে ক'বা।

**হৰসিংহঃ**- পোৱালিয়ে পিলে, অথচ গাখীৰ খীৰাই গুৱাল আচৰিত হ'ল লগতে ময়ো। সেইদিনা আগতকৈ দুগুণ গাখীৰ ওলাল। এই মাধৱ, কি সাধাৰণ মাধৱ? নাভূত-নাশ্রুত, আশ্চৰ্য্য বালক।

**বৰঘৈণীঃ**- মনত আছে, ডাঙৰীয়া। মূৰুখমতী আমি। মতিভ্ৰম ঘটিছিল। মনত পৰিছে আজি সেই যে আপুনি আহি কৈছিল - ম'হ পালৰ কথা।

**গোবিন্দগিৰীঃ**- এক কম এশ জাতৰ ম'হ। কি ভয়ানক, ভাবিলেই গাৰ নোম ডাং খাই যায়।

**হৰসিংহঃ**- কিন্তু আমাৰ মাধৱ, সি যে ঈশ্বৰ, সেই ডাইল ঘাই ম'হ কেইজনীয়ে আগঠেং পাৰি কেনেকৈ মাধৱক সেৱা কৰিছিল কথাটো ভাবি আজিও শিহৰিত হওঁ।

**গোবিন্দগিৰীঃ**- উজিৰ বোপা, মাধৱক তুমিয়েই বুজিছা হ'বলা?

**হৰসিংহঃ**- হয় পিতা, মই কেনেকৈ পাহৰিম। চ'ত মাহ দুপৰ বেলা, এক যোজন বাট খোজ কাঢ়ি গৈছো। গছ-

বিৰিখ নাই। পিয়াহত ভোকত প্ৰাণ যায়। মন গৈছিল যেন টেঙ্গা-দৈ, মিঠৈ আৰু কল সানি. হেঁপাহ পলুৱাই খাম।

**বৰঘৈণীঃ**- তাৰ পিছত।

**হৰসিংহঃ**- মনত আছেনে পিতা, কিছু দূৰ গৈ তিনিআলি এটা পালো, তাতে আঁহতগছ এজোপা দেখিলো। ছাত অলপ বহিছোহে, তেনেতে দুটা মানুহে গুৰে, কলে, দৈয়ে লৈ ৰ'লহি। আতাক দেখি মোহগৈ সকলো দি থৈ গ'ল, সেৱা এটা কৰি। খাই-বৈ গা শাঁত পৰিল, চাই দেখো আচৰিত মনৰ ইচ্ছা পূৰণ হ'ল। কিন্তু কোনো গছ বিৰিখ নাই। পিতা, সেইবাৰ দুশ ৰূপৰ ঠাইত ডেৰকুৰি পাওনা পাইছিলো মনত পৰেনে?

**গোবিন্দগিৰীঃ**- হয়, বোপা। কথাটো হয়।

**বৰঘৈণীঃ**- ক্ষমা কৰা মাধৱ। নিজ গুণে ক্ষমা কৰা। এনে হেন ঈশ্বৰ অৱতাৰ, ভোকে লঘোনে ৰাখিলো নিজৰ অজ্ঞানতাত। পাতকীক ক্ষমা কৰা গোসাই।

(মাধৱক সেৱা কৰে।

**মাধৱঃ**- নবৌ।

**মনোহৰিঃ**- (বৰঘৈণী আৰু সৰুঘৈণীক সাবটি ধৰিব।)

**হৰসিংহঃ**- মাধৱ তোমাৰ কৃপাত মোৰ এই নৰজীৱন সফল হ'ল। মনুষ্যশৰীৰধাৰী তোমাৰ বহুত অলৌকিক কাৰ্য্য দেখিলো। হে মাধৱ, তুমি অকল মোৰ বাবেই নহয়, দহৰ বাবে, দেশৰ বাবে, জগতৰ বাবেই মাধৱ। তুমি সুন্দৰ, জগতৰ মঙ্গলৰ বাবেই ধৰিছা মনুষ্য ৰূপ। তুমি যে আমাৰ মধুৰ-মাধৱ।

(সকলোৱে মাধৱক সাবটি ধৰিব, পট পৰিব।)

০০০